জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৭৬৩/২০২০

ৰাষ্ট্ৰীয় প্ৰেছ দিৱসৰ ৰাজ্যিক পৰ্যায়ৰ অনুষ্ঠানত অংশগ্ৰহণ কৰিলে মুখ্যমন্ত্ৰীয়ে

# সুস্থ আৰু শক্তিশালী গণতন্ত্ৰৰ বাবে সংবাদ মাধ্যম সজাগ আৰু সচেতন হ'বই লাগিব ঃ মুখ্যমন্ত্ৰী

এখন সমাজে যেতিয়া ঐক্যবদ্ধভাৱে কাম কৰে, তেতিয়া যিকোনো দুৰ্যোগ নিৰ্ভীকতাৰে অতিক্ৰম কৰিব পৰা যায় ঃ মুখ্যমন্ত্ৰী

**সাংবাদিকতাৰ নৈতিকতা অক্ষুন্ন ৰখাৰ বাবে সাংবাদিকসকলক আৰ্থিকভাৱে স্বচ্ছল কৰা তথা অন্যান্য সা-সুবিধা প্ৰদানৰ দিশটোৰ প্ৰতিও সংবাদ গোষ্ঠীসমূহে চকু দিব লাগিব ঃ অধ্যাপিকা জয়া চক্ৰৱৰ্তী**

**দিছপুৰ, ১৬ নৱেম্বৰ ঃ** "এক সুস্থ আৰু শক্তিশালী গণতন্ত্ৰৰ বাবে সংবাদ মাধ্যম সজাগ আৰু সচেতন হ'বই লাগিব। সাংবাদিকসকল সৰৱ হৈ থকাটো আৰু চৰকাৰক সমালোচনা কৰাটো চৰকাৰখনৰ বাবেই মঙ্গলজনক। গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভ সংবাদ মাধ্যমে চৰকাৰৰ ওপৰত প্ৰতি মুহূৰ্ততে চোকা দৃষ্টি ৰাখিব লাগে। ইয়াৰ দ্বাৰা মাথোঁ চৰকাৰেই নহয়, দেশৰ প্ৰতিগৰাকী নাগৰিকেই উপকৃত হয়।" অসম চৰকাৰৰ তথ্য আৰু জনসংযোগ বিভাগৰ উদ্যোগত গুৱাহাটীস্থিত শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ শ্ৰীশ্ৰী মাধৱদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত আয়োজিত ২০২০ বৰ্ষৰ ৰাষ্ট্ৰীয় প্ৰেছ দিৱসৰ ৰাজ্যিক পৰ্যায়ৰ অনুষ্ঠানত মুখ্য অতিথিৰূপে অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি এইদৰে কয়।

অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী সোণোৱালে কয় যে ভাৰতবৰ্ষৰ শক্তি বৃদ্ধি কৰাৰ ক্ষেত্ৰত গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভ সংবাদ মাধ্যম তথা সাংবাদিকসকলে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব লাগিব। জনসাধাৰণক দেশৰ স্বাৰ্থত অধিক সজাগ-সচেতন কৰাৰ লগতে মূল্যবোধৰ ভেটি গঢ় দিয়াৰ বাবে সাংবাদিকসকলে জনসাধাৰণক উৎসাহিত কৰিব লাগিব। ক'ভিড-১৯ৰ সময়ত অসমৰ ৰাইজে সুস্থিৰতা, শৃংখলাবদ্ধতা বজাই ৰাখি তথা স্বাস্থ্য বিভাগে দিয়া পৰামৰ্শাৱলী মানি চলি এই সংক্ৰমণ প্ৰতিহত কৰাৰ দিশত যি সহযোগিতা আগবঢ়ালে তাৰ বাবে অসমৰ ৰাইজক কৃতজ্ঞতা জ্ঞাপন কৰি মুখ্যমন্ত্ৰীয়ে কয় যে জনসাধাৰণৰ মাজত এই সন্দৰ্ভত সজাগতা সৃষ্টিৰ বাবে সংবাদ মাধ্যমে সন্মুখৰ পৰা কষ্ট স্বীকাৰ কৰিছে। এই সংকটে অন্যান্য খণ্ডৰ লগতে সংবাদ মাধ্যমৰ ওপৰতো যথেষ্ট নেতিবাচক প্ৰভাৱ পেলাইছে, সংবাদকৰ্মীসকল নানা অসুবিধাৰ সন্মুখীন হৈছে। লকডাউনৰ সময়ত জনসাধাৰণৰ মৌলিক প্ৰয়োজনীয়

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in

সামগ্ৰী যোগানৰ ক্ষেত্ৰত কেনেধৰণৰ উত্তম ব্যৱস্থা হাতত লোৱা হ'ব, ইয়াৰ বাবে কোন কোন বিভাগক অধিক দায়িত্বশীল কৰি তোলা হ'ব ইয়াৰ প্ৰতি লক্ষ্য ৰাখি নিজেই ৰাজ্যখনৰ ৩৬ খনকৈ জিলা ভ্ৰমণৰ অভিজ্ঞতাৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে এই ভ্ৰমণৰ সময়ত সাংবাদিকসকলৰ ইতিবাচক ভূমিকা আৰু কষ্ট তেওঁ নিজেই প্ৰত্যক্ষ কৰিছে।

ক'ভিড-১৯ ৰ বিৰুদ্ধে যুঁজখন অকল স্বাস্থ্য বিভাগৰে নহয় বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰী সোণোৱালে কয় যে সেই সময়ত ৰাইজক ঘৰৰ ভিতৰতে আবদ্ধ হৈ থাকিবলৈ চৰকাৰে আহ্বান জনাইছিল। জনসাধাৰণে যাতে অসুবিধাৰ সন্মুখীন হ'ব নালাগে তাৰ বাবে চৰকাৰে প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰিছিল। নিজৰ ভ্ৰমণকালত তেওঁ জিলাসমূহৰ উপায়ুক্ত, আৰক্ষী, কৃষি, স্বাস্থ্য, পশুপালন, পৰিবহন, জনস্বাস্থ্য কাৰিকৰী, খাদ্য, অসামৰিক যোগান আৰু গ্ৰাহক পৰিক্ৰমা, শক্তি, অগ্নিনিৰ্বাপক বাহিনী আদি প্ৰতিটো বিভাগৰে মাজত সু-সমন্বয় স্থাপনৰ বাবে পদক্ষেপ গ্ৰহণ কৰিছিল। সেই সময়ত এটা 'টীম' হিচাপে কাম কৰাৰ পৰিৱেশ নিৰ্মাণ হৈছিল বুলিও তেওঁ ভাষণ প্ৰসংগত উল্লেখ কৰে।

মুখ্যমন্ত্ৰীয়ে কয় যে ক'ভিড-১৯ সংকটৰ সময়ত সাংবাদিকসকলে নিজৰ জীৱনকো তুচ্ছ কৰি সেৱা আগবঢ়াইছিল। জনতাৰ স্বাৰ্থত নিষ্ঠাৰে কৰ্তব্য পালন কৰিছিল। স্বাস্থ্য বিভাগৰ সকলোৰে ভাবিব নোৱাৰাকৈ দিনে-নিশাই কাম কৰাৰ সমান্তৰালভাৱে আৰক্ষী বাহিনীৰ বিষয়া-কৰ্মচাৰীয়েও দিনে-নিশাই সেৱা আগবঢ়াইছিল। এখন সমাজ যেতিয়া ঐক্যবদ্ধতাৰে প্ৰাণৱন্ত হৈ উঠে, সজীৱ আৰু সজাগ হৈ উঠে, তেতিয়া যিকোনো প্ৰত্যাহ্বানৰ যোগ্য প্ৰত্যুত্তৰ দিয়া সম্ভৱ। জনপ্ৰতিনিধিকে ধৰি সকলোৰে লগত মিলি এই অভিজ্ঞতা আহৰণ কৰিবলৈ সক্ষম হৈছোঁ বুলিও মুখ্যমন্ত্ৰীয়ে কয়। মুখ্যমন্ত্ৰীয়ে কয় এখন সমাজ সকলো সময়তে সমন্বয়ৰ জৰিয়তে শক্তিশালী হৈ থাকিব লাগে। সমাজে যেতিয়া ঐক্যবদ্ধভাৱে কাম কৰে তেতিয়া যিকোনো দুৰ্যোগ নিৰ্ভীকতাৰে অতিক্ৰম কৰিব পাৰে। তেওঁ কয় যে ক'ৰনাকালত আমি সকলোৰে বহু অভিজ্ঞতা সঞ্চয় কৰিবলৈ সমৰ্থ হৈছোঁ।

ৰাজ্যখনৰ জনসাধাৰণৰ মাজত সজাগতা সৃষ্টিৰ বাবে সাংবাদিকসকলে আগবঢ়োৱা অৰিহণাৰ শলাগ লৈ মুখ্যমন্ত্ৰীয়ে কয় যে সাংবাদিকসকলৰ ভূমিকাই প্ৰশাসনক জনমুখী কৰাৰ ক্ষেত্ৰত বহু উদগণি যোগাইছে। ৰাজ্য চৰকাৰেও সাংবাদিকৰ বাবে নিজৰ কৰণীয় কামখিনি কৰি যোৱাৰ বাবে নিষ্ঠাৰে প্ৰয়াস চলাই আহিছে। সাংবাদিকসকলৰ বহু সমস্যা আছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে এই সমস্যাবোৰ উপলব্ধি কৰি বৰ্তমানৰ চৰকাৰে বহু আঁচনি গ্ৰহণ কৰিছে। অনাগত দিনত সাংবাদিকৰ বাবে চৰকাৰে আৰু আঁচনি গ্ৰহণ কৰিব বুলিও তেওঁ ভাষণত উল্লেখ কৰে।

মুখ্যমন্ত্ৰীয়ে কয় যে আমাৰ প্ৰধান লক্ষ্য হৈছে ভাৰতবৰ্ষৰ প্ৰতিগৰাকী নাগৰিককে সন্মান সহকাৰে জীৱন নিৰ্বাহৰ সুযোগ প্ৰদান কৰা, মৰ্যাদাসহকাৰে উন্নয়নৰ দিশে ধাৱমান হোৱা আৰু প্ৰতিগৰাকী নাগৰিকৰ স্বাভিমান ৰক্ষা কৰা। সেই দৃষ্টিভংগীৰে আমি বৃহত্তৰ স্বাৰ্থত কাম কৰিব লাগিব। আমি সংকীৰ্ণতালৈ ধাৱমান হ'ব নোৱাৰোঁ। আমি সাৰ্বজনীন চিন্তা ধাৰাৰে সমাজখনক আঁকোৱালি ল'ব লাগিব।

প্ৰধানমন্ত্ৰীয়ে ছয়বছৰীয়া কাৰ্যকালত এই কথা কামে-কাজে দেখুৱাই দিছে। সাৰ্বজনীন চিন্তা, মানৱীয় চিন্তা, সকলোকে মৰম আৰু শ্ৰদ্ধা কৰা, সকলোৰে বাবে কাম কৰা এই সকলোবোৰ 'সবকা সাথ, সবকা বিকাশ, সবকা বিশ্বাস' নীতিত নিহিত হৈ আছে। প্ৰধানমন্ত্ৰীয়ে ভাৰতবৰ্ষক বিশ্বৰ শ্ৰেষ্ঠ ৰাষ্ট্ৰ হিচাপে গঢ় দিয়াৰ প্ৰয়াস কৰিছে আৰু ইয়াৰ বাবে তৃণমূল পৰ্যায়ত সকলোকে আস্থা আৰু বিশ্বাসত লৈ কাম কৰিছে। প্ৰশাসনৰ সংস্কাৰ প্ৰধানমন্ত্ৰীয়ে সম্ভৱ কৰি তুলিছে। ন্যায়িক ব্যৱস্থাৰ সংস্কাৰ সাধন কৰাৰ বাবে বিচাৰ প্ৰক্ৰিয়াও এতিয়া দ্ৰুত হৈ পৰিছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

মুখ্যমন্ত্ৰীয়ে কয় যে দুৰ্নীতিৰ বিৰুদ্ধে ৰাজ্য চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰাৰ ক্ষেত্ৰত সংবাদ মাধ্যমে যথেষ্ট সহায় কৰিছে। দুৰ্নীতি নিয়ন্ত্ৰণৰ ক্ষেত্ৰত চৰকাৰে অৰ্জন কৰা সফলতাৰ অন্তৰালত সাংবাদিকসকলৰো বহু সহযোগিতা আছে। সাংবাদিকে মনোবল দিয়া বাবে চৰকাৰ উৎসাহিত হৈছে। সন্ত্ৰাসবাদমুক্ত, প্ৰদূষণমুক্ত অসম গঢ়াৰ ক্ষেত্ৰতো সাংবাদিকসকলে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে বুলি তেওঁ কয়। সাংবাদিকসকলে জীৱ-বৈচিত্ৰ্য ৰক্ষাৰ কথা বুজাই দিলে সমাজখনত অধিক প্ৰভাৱ পৰে বুলি উল্লেখ কৰি শাসক আৰু আইনৰ মাজৰ সাকোঁ নিৰ্মাণৰ দায়িত্বও সাংবাদিকৰ আছে বুলি তেওঁ কয়।

আজিৰ অনুষ্ঠানত তেজপুৰ কেন্দ্ৰীয় বিশ্ববিদ্যালয়ৰ জ্যেষ্ঠ অধ্যাপিকা তথা গণসংযোগ আৰু সাংবাদিকতা বিভাগৰ মূৰব্বী জয়া চক্ৰৱৰ্তীয়ে নিৰ্দিষ্ট বক্তা হিচাপে ভাষণ প্ৰদান কৰে। নিজৰ ভাষণত তেওঁ ক'ভিড-১৯ অতিমাৰীৰ সময়ত সংবাদ মাধ্যমে লোৱা ভূমিকা, সাংবাদিকৰ সমস্যা, সমাজ এখন শক্তিশালী কৰাৰ ক্ষেত্ৰত সাংবাদিকৰ দায়িত্ব আৰু কৰ্তব্য ইত্যাদি বিভিন্ন বিষয় আলোকপাত কৰে। স্বাস্থ্যৰ দৰে বিষয়ভিত্তিক সংবাদ পৰিৱেশনৰ ক্ষেত্ৰত সাংবাদিকসকলৰ বাবে বিশেষ প্ৰশিক্ষণৰ ব্যৱস্থা কৰাৰ ওপৰতো তেওঁ গুৰুত্ব আৰোপ কৰে। ক'ভিড সংকটৰ সময়ত একাংশ সাংবাদিকে চাকৰি হেৰুওৱা, দৰমহা কৰ্তন কৰাৰ দৰে পৰিস্থিতিৰ সন্মুখীন হোৱাৰ লগতে সংবাদগোষ্ঠীয়েও বিজ্ঞাপনৰ ৰাজহ হেৰুৱাব লগা হোৱাৰ প্ৰসংগ উল্লেখ কৰি তেওঁ কয় যে সাংবাদিকতাৰ নৈতিকতা অক্ষুন্ন ৰখাৰ বাবে সংবাদিকসকলক আৰ্থিকভাৱে স্বচ্ছল কৰাৰ লগতে অন্যান্য সা-সুবিধা প্ৰদানৰ দিশটোৰ প্ৰতিও সংবাদ গোষ্ঠীসমূহে চকু দিব লাগিব।

অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা হৃষীকেশ গোস্বামীয়ে কয় যে কলম নিঃসন্দেহে তৰোৱালতকৈ অধিক শক্তিশালী, কিন্তু সংবাদ মাধ্যমে নিজৰ শক্তি প্ৰয়োগ কৰোতে অধিক সচেতন হ'ব লাগিব — কিয়নো সমাজক বাট দেখুওৱাৰ দায়িত্বও তেওঁলোকৰ হাততেই ন্যস্ত আছে। ক'ভিড-১৯ৰ সময়ত বিশ্বৰ সংবাদ মাধ্যমে গ্ৰহণ কৰা ভূমিকাৰ শলাগ লৈ এই সংকটত কৰ্তব্যৰ সময়ত নিজৰ প্ৰাণ হেৰুৱাবলগা হোৱা সংবাদকৰ্মীসকলৰ প্ৰতি তেওঁ শ্ৰদ্ধা জ্ঞাপন কৰে। সাংবাদিকসকলৰ বাবে ৰাজ্য চৰকাৰে বহু অভিলাষী আঁচনি গ্ৰহণ কৰিছে বুলি উল্লেখ কৰি তেওঁ কয় যে সাংবাদিকসকলৰ বাবে সকলোবোৰ বিষয় আন্তৰিকতাৰে আগুৱাই নিবলৈ ৰাজ্য চৰকাৰে প্ৰয়াস কৰিছে। সাংবাদিকসকলৰ

বাবে কৰণীয় কিবা থাকিলে তাৰ পৰামৰ্শ দিবলৈও তেওঁ আহ্বান জনায়। সেই পৰামৰ্শৰ ভিত্তিতে সমাজৰ বিবেকস্বৰূপ চতুৰ্থ স্তম্ভৰ বাবে চৰকাৰে কাম কৰি যাব বুলি তেওঁ উল্লেখ কৰে।

তথ্য আৰু জনসংযোগ বিভাগৰ আয়ুক্ত সচিব প্ৰীতম শইকীয়াই আদৰণী ভাষণ দিয়া আজিৰ অনুষ্ঠানত সাংবাদিক ৰঞ্জিত কুমাৰ শৰ্মাইও ভাষণ প্ৰদান কৰে। অনুষ্ঠানত ৰাজ্যৰ সংবাদিকতা আৰু সাহিত্যৰ জগতখনলৈ আগবঢ়োৱা মূল্যৱান অৰিহণাৰ বাবে বিশিষ্ট সাহিত্যিক পদ্মশ্ৰী এলি আহমেদ, সাংবাদিক তথা সাহিত্যিক শিৱচৰণ কলিতা, প্ৰবীণ ক্ৰীড়া সাংবাদিক প্ৰেমধৰ শৰ্মা, ফটো সাংবাদিক তথা লেখক মহেশ চন্দ্ৰ মেধি, সাংবাদিক তাপস সমাদ্দাৰ, ৰঞ্জিত কুমাৰ শৰ্মা আৰু কুঞ্জ মোহন ৰায়ক মুখ্যমন্ত্ৰীয়ে সম্বৰ্দ্ধনা জ্ঞাপন কৰে।

অনুষ্ঠানত তথ্য আৰু জনসংযোগ বিভাগৰ সচিব নীৰা গগৈ সোণোৱাল, জনসংযোগ বিভাগৰ সঞ্চালক অনুপম চৌধুৰীকে প্ৰমুখ্য কৰি বিভাগৰ অন্যান্য বিষয়া-কৰ্মচাৰীসকল তথা বহুকেইগৰাকী বিশিষ্ট সাংবাদিকে অংশগ্ৰহণ কৰে।

**স্বাঃডেঃ / পুঃডেঃ/ প্ৰঃকুঃবঃ**
**১৬/১১/২০২০**